**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 11-03-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দুদিনীয়া ভ্ৰমণসূচীৰে আজি পুৱাৰ ভাগত মৰিচাচৰ প'ৰ্ট লুইছত উপস্থিত হ'ব।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আজি দুদিনীয়া ভ্ৰমণসূচীৰে পাঞ্জাৱ আৰু কেন্দ্ৰীয় শাসিত অঞ্চল চণ্ডিগড়লৈ যাব।

৩। ভাৰত আৰু আৰ্মানিয়াৰ মাজত এটা দীৰ্ঘদিনীয়া বন্ধুত্বপূৰ্ণ সম্পৰ্ক আছে বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে প্ৰকাশ কৰিছে।

৪। কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়ে ২০২৪-২৫ বৰ্ষৰ বাবে প্ৰধান কৃষিজাত সামগ্ৰী উৎপাদনৰ দ্বিতীয় পূৰ্বানুমান প্ৰতিবেদন প্ৰকাশ কৰিছে। ***আৰু***

৫। মহিলা প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত কালি মুম্বাই ইণ্ডিয়ানছে গুজৰাট জায়েণ্টছক ৯ ৰাণত পৰাস্ত কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দুদিনীয়া ভ্ৰমণসূচীৰে আজি পুৱাৰ ভাগত মৰিচাচৰ প'ৰ্ট লুইছত উপস্থিত হ'ব। এটা বিবৃতিত প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে মৰিচাচ হৈছে ভাৰতৰ ঘনিষ্ঠ সামুদ্ৰিক প্ৰতিৱেশী, ভাৰত মহাসাগৰৰ মুখ্য অংশীদাৰ আৰু আফ্ৰিকা মহাদেশৰ প্ৰৱেশদ্বাৰ। শ্ৰীমোদীয়ে কয়, যে দুয়োখন দেশ ইতিহাস,ভূগোল আৰু সংস্কৃতিৰ সৈতে সংপৃক্ত হৈ আছে। তেওঁ কয়, যে গণতান্ত্ৰিক মূল্যবোধ আৰু বৈচিত্ৰতা উদযাপনৰ ক্ষেত্ৰত দুয়ো দেশৰ পাৰস্পৰিক বিশ্বাস অতি গভীৰ। প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে মৰিচাচৰ নেতাসকলৰ সৈতে আলোচনা কৰি অংশীদাৰিত্ব বৃদ্ধি কৰাৰ লগতে জনসাধাৰণৰ প্ৰগতি আৰু সমৃদ্ধি নিশ্চিত কৰাৰ লগতে ভাৰত মহাসাগৰীয় ক্ষেত্ৰৰ সুৰক্ষা আৰু বিকাশৰ উদ্দেশ্যে স্থায়ী মিত্ৰতা সুদৃঢ় কৰাৰ তেওঁ সুযোগৰ বাবে অপেক্ষা কৰিছে। শ্ৰীমোদীৰ দৃঢ় বিশ্বাস যে তেওঁৰ এই ভ্ৰমণে ভাৰত আৰু মৰিচাচৰ সম্পৰ্কৰ ভেঁটি শক্তিশালী কৰাৰ লগতে এটা নতুন আৰু উজ্বল অধ্যায়ৰ সূচনা কৰিব।

প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে আজি ছাৰ ছিউসাগুৰ ৰামগুলাম আৰু ছাৰ অনিৰুদ্ধ জগন্নাথক শ্ৰদ্ধাঞ্জলি জনোৱাৰ উদ্দেশ্যে ছাৰ ছিউসাগুৰ ৰামগুলাম উদ্ভিদ উদ্যান পৰিদৰ্শন কৰাৰ লগতে গছপুলি ৰোপণ কৰিব। প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে দেশখনৰ ৰাষ্ট্ৰপতি ধৰম গকুলক সাক্ষাৎ কৰিব। সন্ধিয়ালৈ শ্ৰীমোদীয়ে তাত থকা ভাৰতীয় মূলৰ লোকসকলৰ এটা অনুষ্ঠানত অংশ ল'ব। ইয়াৰ পাছতে শ্ৰীমোদীয়ে মৰিচাচৰ প্ৰধানমন্ত্ৰী নবীন চন্দ্ৰ ৰামগুলামক সাক্ষাৎ কৰিব।

প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে কাইলৈ মৰিচাচৰ ৰাষ্ট্ৰীয় দিৱসত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। এই দিৱসত ভাৰতীয় নৌসেনাৰ এখন জাহাজৰ লগতে ভাৰতীয় প্ৰতিৰক্ষা বাহিনীও অংশ ল'ব। প্ৰধানমন্ত্ৰীৰ এই

ভ্ৰমণকালত সামুদ্ৰিক সুৰক্ষা, ক্ষমতা নিৰ্মাণ আৰু বাণিজ্যৰ ক্ষেত্ৰত কেইবাখনো চুক্তিত স্বাক্ষৰ কৰাৰ সম্ভাৱনা আছে।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আজি দুদিনীয়া ভ্ৰমণসূচীৰে পাঞ্জাৱ আৰু কেন্দ্ৰীয় শাসিত অঞ্চল চণ্ডিগড়লৈ যাব। ভ্ৰমণকালত ৰাষ্ট্ৰপতিগৰাকীয়ে চণ্ডিগড়ত থকা পাঞ্জাৱ কেন্দ্ৰীয় বিশ্ববিদ্যালয় আৰু বাথিন্দাত থকা অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান-এইমছৰ দীক্ষান্ত সমাৰোহত ভাগ ল'ব। এই সময়ছোৱাত পাঞ্জাৱৰ ৰাজ্যপাল গোলাব চান্দ কাটাৰীয়াৰ লগতে আন কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে শ্ৰীমতী মুৰ্মুক সংগ দিব। আমাৰ সংবাদদাতাই জনোৱা মতে ৰাষ্ট্ৰপতিগৰাকীৰ কাৰ্যসূচীসমূহৰ বাবে ইতিমধ্যে কটকটীয়া নিৰাপত্তাকে ধৰি সকলো ধৰণৰ প্ৰস্তুতি সম্পূৰ্ণ কৰি তোলা হৈছে।

পাঞ্জাৱ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ত শ্ৰীমতী মুৰ্মুৱে এহেজাৰ ৩১ গৰাকী শিক্ষাৰ্থীক স্নাতকোত্তৰ, ৬০ গৰাকী পি এইচ ডি ডিগ্ৰী প্ৰদান কৰাৰ লগতে ৪৩ গৰাকী মেধাবী শিক্ষাৰ্থীক স্বৰ্ণ পদক প্ৰদান কৰিব। ৫ গৰাকী ব্যক্তিক তেওঁলোকৰ ক্ষেত্ৰত দেখুওৱা বিশেষ সফলতাৰ বাবে ডি-লীট ডিগ্ৰী প্ৰদান কৰা হ'ব। এইমছৰ দীক্ষান্ত সমাৰোহত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে চিকিৎসা ক্ষেত্ৰৰ কেইবাটাও ডিগ্ৰী প্ৰদান কৰিব। ভ্ৰমণকালত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে পাঞ্জাৱ চৰকাৰে তেওঁৰ সন্মানাৰ্থে মোহালীত আয়োজন কৰা এটা বিশেষ অনুষ্ঠানতো ভাগ ল'ব।

০০০০০

কেন্দ্ৰীয় চৰকাৰে ই-শ্ৰম পোৰ্টেলত ৩০ কোটি ৬৮ লাখৰো অধিক অসংগঠিত শ্ৰমিকে পঞ্জীয়ন কৰা বুলি প্ৰকাশ কৰিছে। দেশৰ অংসঠিত ক্ষেত্ৰৰ শ্ৰমিকসকলৰ এটা সামগ্ৰিক তথ্যকোষ প্ৰণয়নৰ বাবে ২০২১ চনত এই প'ৰ্টেলটো মুকলি কৰা হৈছিল। কালি লোকসভাত এটা প্ৰশ্নৰ লিখিত উত্তৰত কেন্দ্ৰীয় শ্ৰম আৰু নিয়োগ দপ্তৰৰ ৰাজ্যমন্ত্ৰী সুশ্ৰী শোভা কাৰান্দলাজেই এই তথ্য প্ৰকাশ কৰি কয়, যে পঞ্জীয়নভুক্ত শ্ৰমিকসকলৰ ভিতৰত ৫৩ শতাংশতকৈ অধিক মহিলা শ্ৰমিক। কেইবাটাও কেন্দ্ৰীয় মন্ত্ৰালয় আৰু দপ্তৰৰ ১৩ খনকৈ আঁচনি ই -শ্ৰম পোৰ্টেলৰ সৈতে সংযোজিত হৈ থকা বুলিও মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। এই আঁচনিসমূহৰ ভিতৰত পি এম স্বনিধি, প্ৰধানমন্ত্ৰী সুৰক্ষা বীমা যোজনা, প্ৰধানমন্ত্ৰী জীৱন জ্যোতি বীমা যোজনা, আয়ুষ্মান ভাৰত প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনা অন্যতম।

০০০০০

ভাৰত আৰু আৰ্মানিয়াৰ মাজত এটা দীৰ্ঘদিনীয়া বন্ধুত্বপূৰ্ণ সম্পৰ্ক আছে বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে প্ৰকাশ কৰিছে। নতুন দিল্লীত কালি আৰ্মানিয়াৰ বৈদেশিক মন্ত্ৰী অৰাৰত মিৰ্জ'য়ানৰ সৈতে হোৱা এখন বৈঠকত ড০ জয়শংকৰে কয়, যে উভয় দেশৰ মাজত থকা দ্বি-পাক্ষিক বাণিজ্য আৰু প্ৰতিৰক্ষা সহযোগিতা বৃদ্ধি পাইছে। তেওঁ আন্তঃৰাষ্ট্ৰীয় বিগ কেট মিত্ৰজোঁটত অন্তৰ্ভুক্ত হোৱাৰ বাবে সন্তুষ্টি প্ৰকাশ কৰিছে। তেওঁ কয়, যে আৰ্মানিয়াৰ প্ৰথমখন বাতৰি কাকত ভাৰতত প্ৰকাশিত হৈছে।

০০০০০

কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়ে ২০২৪-২৫ বৰ্ষৰ বাবে প্ৰধান কৃষিজাত সামগ্ৰী উৎপাদনৰ দ্বিতীয় পূৰ্বানুমান প্ৰতিবেদন প্ৰকাশ কৰিছে। পূৰ্বানুমান অনুসৰি খাৰিফ কৃষিজাত শস্যৰ উৎপাদন প্ৰায় ৬৬ লাখ মেট্ৰিক টন হোৱাৰ ৰবি খাদ্য শস্যৰ উৎপাদন এহেজাৰ ৬৪৫ লাখ মেট্ৰিক টনতকৈও অধিক হ'ব বুলি অনুমান কৰা হৈছে।

খাৰিফ ধানৰ উৎপাদন ২০২৩-২৪ বৰ্ষৰ প্ৰায় এহেজাৰ ১৩২ লাখ মেট্ৰিক টনৰ পৰা বৃদ্ধি হৈ এহেজাৰ ২০৬ লাখ মেট্ৰিক টন হ'ব বুলি আশা কৰা হৈছে। তুৰ আৰু মাহজাতীয় শস্যৰ উৎপাদন ৩৫ লাখ ১১ হাজাৰ মেট্ৰিক টন আৰু ১১৫ লাখ ৩৫ মেট্ৰিক টনলৈ বৃদ্ধি পাব বুলি অনুমান কৰা হৈছে। প্ৰধান কৃষিজাত শস্যৰ তথ্য প্ৰকাশ কৰি কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত কেন্দ্ৰীয় চৰকাৰে কৃষি খণ্ডৰ বিকাশৰ বাবে অবিৰতভাৱে কাম কৰি আছে। তেওঁ কয়, যে মন্ত্ৰালয়ে বিভিন্ন আঁচনিৰ জৰিয়ে কৃষকসকলক সহায় আৰু উৎসাহ যোগাই আহিছে। ইয়াৰ ফলত কৃষিজাত শস্যৰ উৎপাদন যথেষ্ট বৃদ্ধি পাইছে।

০০০০০

সমাগত হোলী উৎসৱৰ পূৰ্বে যাত্ৰীসকলৰ সুবিধা হোৱাকৈ উত্তৰ ৰে'লৱেই ৪০০ খনতকৈও অধিক বিশেষ ৰে'লৰ চলাচল আৰম্ভ কৰিছে। নতুন দিল্লীত কালি সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত উত্তৰ ৰেলৱেৰ মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া হিমাংশু শেখৰ উপাধ্যায়ে কয়, যে যাত্ৰীসকলৰ সুবিধাৰ্থে সকলো যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে। তেওঁ উল্লেখ কৰে যে, ৰাষ্ট্ৰীয় ৰাজধানীৰ নতুন দিল্লী, আনন্দবিহাৰ আৰু হজৰত নিজামুদ্দিন ৰে'লৱে ষ্টেছনত যাত্ৰীৰ বাবে কটকটীয়া নিৰাপত্তা ব্যৱস্থা গঢ়ি তোলাৰ লগতে ক্ষুদ্ৰ নিয়ন্ত্ৰণ কক্ষ আৰু জিৰণী চ'ৰাৰো ব্যৱস্থা কৰা হৈছে। প্ৰয়োজন সাপেক্ষে কেইবাখনো নতুন ৰে'লৰ ব্যৱস্থা কৰা হ'ব বুলিও তেওঁ জানিবলৈ দিয়ে। তেওঁ লগতে কয়, যে কেৱল ৰে'লৰ বৈধ টিকট থকা যাত্ৰীসকলেহে প্লেটফৰ্মত প্ৰৱেশ কৰিবলৈ দিয়া হ'ব।

০০০০০

ছিৰিয়াৰ অন্তৰ্বৰ্তীকালীন চৰকাৰে কালি দেশখনৰ অপসাৰিত ৰাষ্ট্ৰপতি বাছাৰ-আল-আছাদৰ প্ৰতি আনুগত্যশীল যোদ্ধাৰ বিৰুদ্ধে সৈন্য অভিযান সমাপ্ত হোৱা বুলি ঘোষণা কৰে। ডিচেম্বৰ মাহত ১৩ বছৰীয়া গৃহযুদ্ধৰ সমাপ্তিৰ পাছত এইখন হৈছে আন এখন ভয়াৱহ যুদ্ধ।

যোৱা বৃহস্পতিবাৰে দেশখনৰ লট্টাকিয়া নগৰৰ সমীপত বন্দুকধাৰীয়ে আৰক্ষীৰ তহলদাৰী গোটক আক্ৰমণ কৰাৰ ফলত এই ঘটনাৰ সূত্ৰপাত ঘটে। এই হিংসা ছিৰিয়াৰ উপকূলীয় অঞ্চললৈ বিয়পি পৰাৰ ফলত শ-শ সাধাৰণ লোকৰ মৃত্যু হয়। দেশখনৰ ইছলামিক শাসকৰ নতুন চৰকাৰে এই সংঘৰ্ষ নিয়ন্ত্ৰণ কৰিবলৈ আৰু কুৰ্দ আৰু ড্ৰুজ সমন্বিতে সংখ্যালঘু গোটৰ সৈতে আলোচনা চেষ্টা চলাই আছে।

ছিৰিয়াৰ প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ মুখপাত্ৰই এই বুলি সকীয়াই দিয়ে যে আছাদৰ আনুগত্যশীল যোদ্ধাৰ বিৰুদ্ধে চৰকাৰৰ নিৰাপত্তা বাহিনীয়ে অভিযান চলায় যাব। বিশ্ব নেতৃত্বই দেশখনত এই হিংসাত্মক পৰিস্থিতিৰ অৱসান ঘটোৱাৰ আহ্বান জনোৱাৰ পৰিপ্ৰেক্ষিতত ৰাষ্ট্ৰসংঘই নিৰাপত্তা পৰিষদত এই সন্দৰ্ভত আজি এখন আলোচনা অনুষ্ঠিত হ'ব।

০০০০০

মুম্বাইৰ ব্ৰে-বৰ্ণ ষ্টেডিয়ামত কালি অনুষ্ঠিত মহিলা প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত মুম্বাই ইণ্ডিয়ানছে গুজৰাট জায়েণ্টছক ৯ ৰাণত পৰাস্ত কৰে। এই জয়ৰে মুম্বাই ইণ্ডিয়ানছে ডেলহী কেপিটলছৰ সমানে ১০ পইণ্ট লাভ কৰিবলৈ সমৰ্থ হৈছে যদিও কম নেট ৰাণ ৰেটৰ বাবে তালিকাৰ দ্বিতীয় স্থানত আছে। প্ৰথমে বেট ধৰি মুম্বাই ইণ্ডিয়ানছে নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেটৰ বিনিময়ত ১৭৯ ৰাণ কৰে। দলটোৰ হৈ অধিনায়ক হৰমন প্ৰীত কৌৰে ৩৩ বলত ৫৪ ৰাণ কৰে। প্ৰত্যুত্তৰত গুজৰাট জায়েণ্টছে এটাই উইকেট হেৰুৱাই ১৭০ ৰাণহে কৰিবলৈ সমৰ্থ হয়। দলটোৰ হৈ ভাৰতী ফুলমালীয়ে ২৫টা বলত ৬১

ৰাণ কৰে। এমিলিয়া কেৰে তিনিটা উইকেট দখল কৰে। হৰমন প্ৰীত কৌৰক প্লেয়াৰ অৱ মেচ হিচাপে ঘোষণা কৰা হয়।

একেখন ষ্টেডিয়ামত আজি হ'বলগীয়া এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে খেলিব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ooooo

নতুন দিল্লীৰ জৱাহৰলাল নেহৰু ষ্টেডিয়ামত আজি বিয়লি বিশ্ব পেৰা এথলেটিকছ্ গ্ৰেণ্ড প্ৰিক্স-২০২৫ অনুষ্ঠিত হ'ব। তিনিদিনীয়া এই প্ৰতিযোগিতাত ১৪৫ গৰাকী ভাৰতীয় আৰু ২০ খন দেশৰ ১০৫ গৰাকী আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগীৰে মুঠ ২৫০ গৰাকী পেৰা এথলিটে ভাগ ল'ব। এই প্ৰতিযোগিতা ৯০টা পেৰা ইভেণ্টৰে ভাৰতে আয়োজন কৰা সৰ্ববৃহৎ পেৰা এথলেট প্ৰতিযোগিতাৰূপে বিবেচিত হৈছে। ২০২৪ৰ পেৰিছ পেৰা অলিম্পিকত স্বৰ্ণ পদক বিজয়ী প্ৰবীন কুমাৰ, নৱদীপ সিং আৰু ধৰম বীৰে ভাৰতীয় দলটোক নেতৃত্ব দিব।

ooooo

সমাপ্ত